30T MASS

# 2020

## ASSAMESE

(MODERN INDIAN LANGUAGE)

**(NEW COURSE)**

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×7 = 7 |
| *Q. No. 2 carries 2 marks each* | 2×7 = 14 |
| *Q. No. 3 carries 4 marks each* | 4×1 = 4 |
| *Q. No. 4 carries 5 marks each* | 5×2 = 10 |
| *Q. No. 5 carries 1 mark each* | 1×5 = 5 |
| *Q. No. 6 carries 2 marks each* | 2×5 = 10 |
| *Q. No. 7 carries 4 marks each* | 4×1 = 4 |
| *Q. No. 8 carries 3 marks each* | 3×2 = 6 |
| *Q. No. 9 carries 1 mark each* | 1×2 = 2 |
| *Q. No. 10 carries 2 marks each* | 2×2 = 4 |
| *Q. No. 11 carries 4 marks each* | 4×1 = 4 |
| *Q. No. 12 carries 3 marks each* | 3×2 = 6 |
| *Q. No. 13 carries 1 mark each* | 1×6 = 6 |
| *Q. No. 14 carries 2 marks each* | 2×4 = 8 |
| *Q. No. 15 carries 10 marks each* | 10×1 = 10 |
| | Total =100 |

১। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ  ১×৭=৭

(ক) 'Comedy of Errors'-ৰ অসমীয়া ভাঙনি 'ভ্ৰমৰংগ' কোন চনত প্ৰকাশ পাইছিল?

(খ) কথা-কবিতা কোন শতিকাৰ উল্লেখযোগ্য সৃষ্টি?

(গ) 'এনক আৰ্ডেন'ৰ অনুবাদকগৰাকীৰ নাম লিখাঁ।

(ঘ) আনন্দৰাম বৰুৱাই ল'ৰাকালতে কণ্ঠস্থ কৰা গ্ৰন্থখনৰ নাম কি?

(ঙ) কোন দেশৰ প্ৰাচীন নৃপতিসকলক 'গজধ্বজ' খিতাপেৰে বিভূষিত কৰা হৈছিল?

(চ) সংযতভাৱে জীৱন যাপন কৰি প্ৰাপ্তিতো নিৰাসক্ত হৈ থকাজনক কি বুলি কোৱা হয়?

(ছ) শীলভদ্ৰৰ প্ৰথম গল্প সংকলনটিৰ নাম কি?

(জ) ভূপেন হাজৰিকাই 'প্ৰতিধ্বনি' ছবিখন কোন জনগোষ্ঠীৰ লোককথাৰ ভেটিত নিৰ্মাণ কৰিছিল?

(ঝ) 'উপকল্প' শব্দটোৰ অৰ্থ লিখাঁ।

২। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ  ২×৭=১৪

(ক) "যথা নিযুক্তোঽস্মি তথা কৰোমি।" — পদটিৰ অৰ্থ লিখাঁ।

(খ) কথা-কবিতাৰ দুটা বৈশিষ্ট্য লিখাঁ।

(গ) 'তোমাৰে আনন্দ বৰুৱাই ...' বুলি কোনটো কবিতাত কোনে আনন্দৰাম বৰুৱাৰ প্ৰশস্তি গাইছে?

(ঘ) "বিদ্যা লাভৰ চৰম প্ৰাপ্য বা অৰ্জনীয় বিষয়ো এই দুটাই।" — লেখকে কোন দুটা চৰম প্ৰাপ্যলৈ আঙুলিয়াইছে?

(ঙ) বৰ্তমান সময়ত চিঠিৰ প্ৰাসংগিকতা আৰু মধুৰতা কমি যোৱাৰ মূল কাৰণ কি?

(চ) কাৰ্বি ভাষাৰ প্ৰথম ছবিখনৰ নাম কি? পৰিচালকগৰাকীৰ নাম লিখাঁ।

(ছ) বিজ্ঞানৰ মানৱ জাতিলৈ বহু বেছি মূল্যৱান অৱদান কি কি?

(জ) পদাৰ্থ কণা-ত্বৰক কাক বোলে?

(ঝ) 'মুকুতা' আৰু 'জাংফাই জোনাক' ছবি দুখনৰ পৰিচালক দুগৰাগীৰ নাম লিখাঁ।

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ : *(যিকোনো এছোৱা)* ৪×১=৪

(ক) "কালৰ পীড়নত আজিৰ অসম জীৰ্ণ-শীৰ্ণ-দীৰ্ণ।"

(খ) "... অসমীয়া চিনেমাই এতিয়াও আন্তৰ্জাতিক প্ৰেক্ষাপটত সবল খোজ দিব পৰা নাই।"

(গ) "আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোৱেই হ'ল বিজ্ঞান।"

৪। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ : ৫×২=১০

(ক) 'মগনিয়াৰ' পাঠটিৰ মূল কথাখিনি তোমাৰ ভাষাত লিখাঁ।

(খ) জীৱন আৰু কৰ্মৰ দ্বাৰা আনন্দৰাম বৰুৱাই কেনেকৈ প্ৰাচ্য আৰু পাশ্চাত্যৰ ঐক্য সাধন কৰিছিল চমুকৈ লিখাঁ।

(গ) উপনিষদৰ কৰ্ম যোগৰ নিৰ্দেশত কি তত্ত্ব নিহিত হৈ আছে পাঠৰ আধাৰত চমুকৈ লিখাঁ।

(ঘ) 'চিঠি' গল্পটিৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰাঁ।

৫। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ : ১×৫=৫

(ক) মাধৱদেৱে ৰামায়ণৰ কোনটো কাণ্ড ভাঙনি কৰিছিল?

(খ) তোমাৰ পাঠ্যপুথিৰ অন্তৰ্গত কোনগৰাকী কবি 'জোনাকী' কাকতৰ স'তে জড়িত নাছিল?

(গ) 'বিশ্বদীপা' শীৰ্ষক জীৱনীমূলক গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাই 'ইন্দ্ৰমালতী' কথাছবিখন কোন চনত নিৰ্মাণ কৰিছিল?

(ঙ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটি প্ৰথম ক'ত প্ৰকাশ হৈছিল?

(চ) 'পছোৱা' আলোচনীখনৰ সম্পাদকগৰাকীৰ নাম লিখাঁ।

(ছ) নৰকান্ত বৰুৱাৰ 'ৰত্নাকৰ' এখন উপন্যাস—কথাষাৰ শুদ্ধনে?

৬। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৫=১০

(ক) মাধৱদেৱৰ বৰগীতক ভাৰতীয় আন কোন দুগৰাকী কবিৰ গীতৰ লগত তুলনা কৰিব পাৰি?

(খ) নলিনীবালা দেৱীৰ কোন দুখন কাব্যগ্ৰন্থৰ ভালেমান কবিতাত স্বদেশপ্ৰেমৰ সুৰ প্ৰবাহিত হৈছে?

(গ) 'ষোড়শোপচাৰ' কি বুজাই লিখাঁ।

(ঘ) কাঠ খুলিবলৈ আৰু মিহিকৈ চুঁচিবলৈ কাঠমিস্ত্ৰীয়ে কি কি বিশেষ সঁজুলি ব্যৱহাৰ কৰে?

(ঙ) 'আঘোণৰ কুঁৱলী' কবিতাটিত কবিয়ে সেউতীক উদ্দেশ্যি বৌদেউক বন্ধনীত সোধা কাব্যপংক্তিটো কি আছিল?

(চ) নৰকান্ত বৰুৱাই ৰচনা কৰা *দুখন* উপন্যাসৰ নাম লিখাঁ।

(ছ) অৰ্থ লিখাঁ ঃ ভূষণ, যদিস্যাতো।

৭। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এফাঁকি)* ৪×১=৪

(ক) উঠৰে উঠ বাপু গোপাল হে নিশি পৰভাত ভৈল।
কমল নয়ন, বুলি ঘনে ঘন, যশোৱা ডাকিতে লৈল।

(খ) আজি জনতাৰ পঙ্কজ ৰূপ
জাগে পদুমৰ দৰে,
বোকাত জনমা মানুহে আজি
আলোকলৈ' উঠি আহে
বেলিমুৰা হৈ হাঁহে।।

(গ) মই নাহোঁ মই নাহোঁ
পৃথিৱী, তোমাক ভাল পাই গ'লোঁ
তথাপিও মই নাহোঁ।

৮। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৩×২=৬

(ক) সত্ত্বঃ, ৰজঃ আৰু তমঃ গুণে মানৱ জীৱনলৈ কি কঢ়িয়াই আনে?

(খ) "লোৱা অধিকাৰ নিজ বাহুবলে" — কবিয়ে সমাজৰ কোন কোন শ্ৰেণীৰ লোকক নিজে কৰা কৰ্মৰ অধিকাৰ ল'বলৈ আহ্বান জনাইছে?

(গ) 'বিশ্বখনিকৰ' কবিতাত কবিয়ে 'কুঁহি-গজালি' বুলি কোন তিনিজোপা গছৰ নাম বন্ধনীত উল্লেখ কৰিছে?

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈৰ *তিনিখন* কবিতা পুথিৰ নাম লিখাঁ।

৯। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×২=২

(ক) নন্দনতাত্ত্বিক মূল্যবোধৰ চাবি-কাঠী কি?

(খ) কৈশোৰ কালে কোন দুখন জগত সংযোগ কৰে?

(গ) 'জীৱনৰ শান্তি পৰ্ব' শীৰ্ষক প্ৰবন্ধটোৰ ৰচক কোন?

(ঘ) 'প্ৰতীতি' শব্দৰ অৰ্থ লিখাঁ।

১০। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×২=৪

(ক) ভাৰতীয় সংবিধানে ভাৰতবৰ্ষক কেনে ধৰণৰ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে?

(খ) সহজ অৰ্থত মূল্যবোধ মানে কি?

(গ) মাধ্যমিক স্তৰৰ পাঠ্যক্রমত থকা *চাৰিটা* প্ৰাথমিক আৰু মৌলিক বিষয় কি কি?

(ঘ) মানসিক শক্তি মানে কি?

১১। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখিবাঁ ঃ ৪×১=৪

(ক) ভাৰতীয় দৰ্শনত 'মূল্যবোধ' সম্পৰ্কে চমুকৈ লিখাঁ।

(খ) "কিশোৰ-কিশোৰীৰ মনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল পৰিচিতিৰ সংঘাত।" — ব্যাখ্যা কৰাঁ।

১২। চমুকৈ লিখাঁ ঃ *(যিকোনো দুটা)* ৩×২=৬

(ক) বিভক্তিৰ সংজ্ঞা আৰু প্ৰকাৰ

(খ) অসমীয়া শব্দবিভক্তি

(গ) প্ৰত্যয়ৰ সংজ্ঞা আৰু ইয়াৰ শ্ৰেণীবিভাগ

(ঘ) তদ্ধিত প্ৰত্যয় ঃ সংজ্ঞা আৰু উদাহৰণ

১৩। তলৰ *যিকোনো ছটা* শব্দত যোগ হোৱা প্ৰত্যয়বোৰ ভাঙি কি প্ৰত্যয় যোগ হৈছে লিখাঁ ঃ ১×৬=৬

ৰণুৱা, জিৰণীয়া, মগনিয়াৰ, উজনি, পতিয়ন, বেগাই, সাধুতা, গাঁৱলীয়া, খেতি।

১৪। তলত দিয়া জতুৱা ঠাঁচবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য-ৰচনা কৰাঁ ঃ *(যিকোনো চাৰিটা)* ২×৪=৮

টৌতে খৰ মৰা, কাণ বাগৰা, গোৰ মাৰি গংগাত পেলোৱা, শালৰ মাজত শিঙি, চকুৰ মণি, পেটে-ভাতে খা, নাদৰ ভেকুলী, সোণৰ সোলেং।